# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-SEP-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। ধুবুৰীত ছাত্ৰ সংগঠনৰ প্ৰতিবাদী সমদলৰ সময়ত আৰক্ষীৰ লাঠীচালনাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অপ্ৰীতিকৰ ঘটনাক অত্যন্ত দুৰ্ভাগ্যজনক বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

২। আসন্ন বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ। মুখ্যমন্ত্ৰীৰ তিনিখনকৈ প্ৰচাৰ সভাত অংশগ্ৰহণ।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ কাৰ্যসূচী চূড়ান্ত। বিভিন্ন ঠাইত প্ৰধানমন্ত্ৰীক আদৰাৰ প্ৰস্তুতি।

৪। আজি ৰাষ্ট্ৰীয় বন ছহিদ দিৱস। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত এই উপলক্ষে ৫৯ গৰাকী বনকৰ্মীক সোঁৱৰণ।

*আৰু*

৫। মাহজাতীয় শস্য উন্নয়ন সঞ্চালকালয়ৰ সঞ্চালক ড০ মহেশ কুমাৰৰ মৰিগাঁও জিলা কৃষি খণ্ড পৰিদৰ্শন।

ooooo

ধুবুৰীত কালি সন্ধিয়া এটা ছাত্ৰ সংগঠনৰ প্ৰতিবাদী সমদলৰ সময়ত আৰক্ষীৰ লাঠিচালনাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অপ্ৰীতিকৰ ঘটনা অত্যন্ত দুৰ্ভাগ্যজনক বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। তেওঁ এই ঘটনাটো অনাকাংক্ষিত বুলি উল্লেখ কৰি কয় যে ইতিমধ্যে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীক নিলম্বন কৰা হৈছে।

**বাইট**

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই যোৱা নিশা ধুবুৰীত উপস্থিত হৈ গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীক তাৎক্ষণিকভাৱে বলবৎ হোৱাকৈ নিলম্বন কৰা বুলি প্ৰকাশ কৰে। তদুপৰি গৌৰীপুৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীকো ৰিজাৰ্ভ ক্ল'জ কৰাৰ নিৰ্দেশ দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

নিৰস্ত্ৰ প্ৰতিবাদকাৰীক আক্ৰমণৰ ঘটনাৰ প্ৰতিবাদত আজি সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা আক্ৰাছুৰে জিলাখনত ১২ ঘণ্টীয়া বন্ধৰ পালন কৰে। সংগঠনটোৱে এই ঘটনাৰ প্ৰতিবাদ জনোৱাৰ লগতে ন্যায় বিচাৰ দাবী কৰিছে। উল্লেখযোগ্য যে কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ আৰু পৃথক কমতাপুৰ ৰাজ্যৰ দাবীত আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ নেতৃত্বত ধুবুৰী জিলা আক্ৰাছুৰ উদ্যোগত গোলকগঞ্জত কালি এটা জোঁৰ সমদল উলিওৱা হৈছিল। প্ৰশাসনে আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনী মোতায়েন কৰাৰ পাছতো কোচ ৰাজবংশী জনগোষ্ঠীৰ কেইবাশ অংশগ্ৰহণকাৰীয়ে গোলকগঞ্জৰ চিলাৰায় মহাবিদ্যালয়ত উপস্থিত হৈ সমদল কৰি ৰাস মেলা ময়দানত সমবেত হৈছিল। ইয়াৰ পাছত সমদলকাৰীসকলে জোঁৰ লৈ জনজাতিকৰণৰ দাবীত পৰিৱেশ উত্তাল কৰি তোলে। আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে প্ৰতিবাদকাৰীসকলক ছত্ৰভংগ দিবলৈ লাঠীচালনা কৰে। লাঠীচালনাত অৰ্ধশতাধিক প্ৰতিবাদকাৰী আহত হয়। সংকটজনক অৱস্থাত ইয়াৰে একাংশক প্ৰাথমিক চিকিৎসাৰ পাছত ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ ধুবুৰী জিলাত সান্ধ্য আইন জাৰি কৰা হয়। প্ৰতিবাদকাৰীৰ ওপৰত আৰক্ষীয়ে লাঠীচালনা কৰা ঘটনাক সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু ধুবুৰী পশ্চিম জিলা আক্ৰাছুৰে গৰিহণা দিছে। পৰিস্থিতিৰ

বুজ লৈ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি ধুবুৰী জিলা আৰক্ষী অধীক্ষকক ৫ দিনৰ ভিতৰত উপ মহাপৰিদৰ্শকক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। মন্ত্ৰীগৰাকীয়ে চিকিৎসাধীন হৈ থকা প্ৰতিবাদকাৰীসকলৰ স্বাস্থ্যৰ বুজ লয়।

০০০০০

আসন্ন বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ওদালগুৰি জিলাত ভেৰগাঁও পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী জৌশ্ৰাং বড়োৰ সমৰ্থনত ডিমাকুছিত নিৰ্বাচনী সভাত অংশ লয়। ড০ শৰ্মাই তেওঁৰ ভাষণত এইবাৰ বিটিচিত বিজেপি চৰকাৰ গঠনত সহায় কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। বিটিচিত শান্তি আৰু উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত উগ্ৰপন্থী সমস্যাৰ সমাধান সম্ভৱ হৈছে বুলি উল্লেখ কৰি তেওঁ এই নিৰ্বাচনত বিজেপি জয়ী হ'লে নিবনুৱা সমস্যা সমাধানৰ উপৰি বিটিআৰত মানৱ সম্পদ সৃষ্টিৰ বাবে কাম কৰিব বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কাইলৈ বিজেপিয়ে নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰিব বুলি ঘোষণা কৰে। ড০ শৰ্মাই তামুলপুৰ জিলাত গোৰেশ্বৰ পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দেৰহাছাৰ নাৰ্জাৰীৰ সমৰ্থনত প্ৰচাৰ সভাত অংশ লয়।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে চিৰাং জিলাৰ থুৰিবাৰী পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তথা বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ৰ সমৰ্থনত প্ৰচাৰ অভিযানত অংশ লয়। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰে সকলো জাতি-জনগোষ্ঠীৰ লোকৰ মাজত শান্তিৰ বাতাৱৰণেৰে প্ৰগতি আৰু উন্নয়ন সম্ভৱ কৰি তুলিছে। বিটিআৰৰ সকলো জাতি-জনগোষ্ঠীৰ বিকাশৰ বাবে এইবাৰ বিজেপি দলৰ পৰিষদ গঠন কৰিব লাগিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

**বাইট (সৰ্বানন্দ সোণোৱাল)**

ইপিনে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে আজি বিয়লি মানস ছেৰফাং পৰিষদীয় সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী অবিনাশ ব্ৰহ্মৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলায়। পানবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত নিৰ্বাচনী সভাত গৌৰৱ গগৈয়ে এইবাৰ বিটিচিত কংগ্ৰেছৰ যুঁজ হ'ব বুলি উল্লেখ কৰি কয়, যে এই যুঁজ নৱপ্ৰজন্মৰ বাবে আৰু নিজৰ অধিকাৰৰ বাবে হ'ব।

বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে থুৰিবাৰী সমষ্টিৰ প্ৰাৰ্থী খলিলুৰ ৰহমানৰ সমৰ্থনত আজি এখন নিৰ্বাচনী সভাত ভাগ লয়। কোকৰাঝাৰ জিলাৰ ছালাকাটি পৰিষদীয় সমষ্টিত আজি বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱে ইউ পি পি এলৰ প্ৰাৰ্থী লৰেন্স ইছলাৰীৰ হৈ প্ৰচাৰ চলায়। তাৰংগুৰী খেলপথাৰত আয়োজিত প্ৰচাৰ সভাত প্ৰমোদ বড়োৱে ছালাকাটী সমষ্টিৰ ইউ পি পি এল নিশ্চিতভাৱে জয়ী হ'ব বুলি দাবী কৰি দলীয় কৰ্মীসকলক দিনে নিশাই কাম কৰিবলৈ আহ্বান জনায়।

বিটিচি নিৰ্বাচনৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে ইতিমধ্যে ওজৰ-আপত্তি নিষ্পত্তি প'ৰ্টেল মুকলি কৰিছে। জনসাধাৰণে আদৰ্শ নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ বিষয়ে ফটো অথবা ভিডিঅ' প্ৰমাণসহ এই প'ৰ্টেলযোগে অৱগত কৰিব পাৰিব আৰু অভিযোগৰ স্থিতি সন্দৰ্ভত জানিব পাৰিব।

০০০০০

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে দিল্লী, মুম্বাই, কলকাতা আৰু অৰুণাচল প্ৰদেশতো বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বিশ্ববন্দিত শিল্পীগৰাকীৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধা জনাই অহা ১৩ ছেপ্তেম্বৰত গুৱাহাটীত আয়োজিত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানত ৰাজ্যৰ এহেজাৰৰো অধিক শিল্পীয়ে ভূপেন হাজৰিকাৰ ১৪টা গীত আৰু কবিতা পৰিৱেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ এটি স্মাৰক মুদ্ৰা আৰু এখন জীৱনী গ্ৰন্থও উন্মোচন কৰা হ'ব।

প্ৰধানমন্ত্ৰীয়ে অহা ১৪ ছেপ্তেম্বৰত নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। শ্ৰীমোদীয়ে ইয়াৰ পূৰ্বে মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ পূৰ্বে অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে আজি মঙলদৈত এখন সংবাদমেলৰ আয়োজন কৰি কেন্দ্ৰীয় চৰকাৰ তথা বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখন বিভিন্ন ক্ষেত্ৰত ব্যৰ্থ হোৱা বুলি অভিযোগ কৰে। মঙলদৈৰ ৰাজীৱ ভৱনত আয়োজিত সংবাদমেলত কমিটীয়ে বাংলাদেশী বিতাড়ন, বানমুক্ত অসম, নিবনুৱা সমস্যা সমাধানকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ত চৰকাৰে প্ৰতিশ্ৰুতি পূৰণ কৰাত ব্যৰ্থ হৈছে বুলি অভিযোগ তোলে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে এই সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদীলৈ ৯টা প্ৰশ্ন উত্থাপন কৰে। সংবাদমেলত জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰিপুণ বৰা, প্ৰদেশ কংগ্ৰেছৰ মিডিয়া কোষৰ জ্যেষ্ঠ নেতা বেদব্ৰত বৰা, প্ৰাক্তন বিধায়ক ইলিয়াছ আলীকে ধৰি কেইবাগৰাকী দলীয় নেতা উপস্থিত থাকে।

ooooo

প্ৰধানমন্ত্ৰীৰ অসম, মণিপুৰ আৰু মিজোৰাম ভ্ৰমণ সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ১৩ ছেপ্তেম্বৰৰ শনিবাৰৰ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। জ্যেষ্ঠ সাংবাদিক আৰু ৰাজনৈতিক বিশ্লেষকে অংশগ্ৰহণ কৰিবলগীয়া এই অনুষ্ঠানত আকাশবাণীৰ আইজল আৰু ইম্ফলৰ সংবাদদাতা দুগৰাকীও টেলিফোনযোগে সংযুক্ত হ'ব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

আজি ৰাষ্ট্ৰীয় বন ছহিদ দিৱস। দেশৰ বন ভূমি, পৰিৱেশ আৰু বন্যপ্ৰাণী সুৰক্ষাত জীৱন উৎসৰ্গা কৰা সেউজ যোদ্ধাসকলৰ প্ৰতি সন্মান জনাই প্ৰতিবছৰে ১১ ছেপ্তেম্বৰত এই দিৱস পালন কৰা হয়। বন ছহিদ দিৱস উপলক্ষে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কৰ্তব্যৰত অৱস্থাত মৃত্যু হোৱা বনকৰ্মীসকলৰ সোঁৱৰণত আজি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। বনাঞ্চলৰ সুৰক্ষাৰ স্বাৰ্থত প্ৰাণ আহুতি দিয়া বনকৰ্মী বলোৰাম নাথ, জিৰছং ইংতিকে ধৰি ৫৯ গৰাকী বন ছহিদৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। কাজিৰঙাৰ কঁহৰাৰ স্মৃতি উদ্যানত ছহিদসকলৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰাৰ উপৰি বন ছহিদসকলৰ পৰিয়ালৰ সদস্য সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে ১৯৬৮ চনত চোৰাং চিকাৰীৰ সৈতে হোৱা সংঘৰ্ষত মৃত্যু হোৱা বলোৰাম নাথ হৈছে ৰাষ্ট্ৰীয় উদ্যানখনৰ প্ৰথমগৰাকী বন ছহিদ। একেদৰে চলিত বৰ্ষত কৰ্তব্যৰত অৱস্থাত নাও দুৰ্ঘটনাত বনকৰ্মী জিৰছং ইংতিয়ে প্ৰাণ হেৰুৱায়।

ooooo

ৰে'ল মন্ত্ৰালয়ে ডিব্ৰুগড় আৰু হাওৰাৰ মাজত ৰঙাপৰা হৈ চলাচল কৰা ১৫৯৫৯ আৰু ১৫৯৬০ নম্বৰৰ কামৰূপ এক্সপ্ৰেছ আৰু গুৱাহাটী আৰু মুৰ্কংচেলেকৰ মাজত চলাচল কৰা ১৫৬১৩ আৰু ১৫৬১৪ ৰে'লগাড়ী দুখন পৰীক্ষামূলকভাৱে তামুলপুৰ জিলাৰ গোৰেশ্বৰ ষ্টেচনত ৰখোৱাৰ সিদ্ধান্ত লৈছে। ৰে'ল মন্ত্ৰালয়ে উত্তৰ-পূব সীমান্ত ৰে'লৱেলৈ পঠিওৱা এটা নিৰ্দেশত এই কথা প্ৰকাশ কৰি কোৱা হৈছে যে কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও ৰে'ল ষ্টেচনতো কামৰূপ এক্সপ্ৰেছ, নৰ্থ ইষ্ট এক্সপ্ৰেছ আৰু নিউ জলপাইগুৰী আৰু গুৱাহাটীৰ মাজত চলাচল কৰা বন্দে ভাৰত এক্সপ্ৰেছখন পৰীক্ষামূলকভাৱে ৰখোৱাৰ সিদ্ধান্ত লোৱা হৈছে। তদুপৰি, আলিপুৰ দুৱাৰ আৰু গুৱাহাটীৰ মাজত চলাচল কৰা চিফুং এক্সপ্ৰেছখন পৰীক্ষামূলকভাৱে কোকৰাঝাৰ জিলাৰ চৌতাৰাত ৰখোৱাৰ বাবেও ৰে'ল মন্ত্ৰালয়ে অনুমোদন জনাইছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই ৰে'লগাড়ীকেইখন ষ্টেচনকেইটাত ৰখোৱাৰ

বাবে বিভিন্ন অঞ্চলৰ ৰাইজে জনাই অহা দাবীৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহা-প্ৰৱন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱলৈ পত্ৰ লিখিছিল আৰু মুখ্যমন্ত্ৰীৰ এই অনুৰোধৰ প্ৰতি সঁহাৰি জনাই ৰে'ল মন্ত্ৰালয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০

হোজাইত পৰহিলৈ ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত আৰু হোজাই জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত এই আদালতৰ আয়োজন কৰা হৈছে। ইয়াৰ জৰিয়তে আপোচযোগ্য বিভিন্ন গোচৰ যেনে- ফৌজদাৰী, দেৱানী গোচৰ, পাৰিবাৰিক গোচৰ, মটৰ দুৰ্ঘটনাৰ দাবী আৰু নিষ্পত্তি, ন্যায়াধীকৰণৰ গোচৰ আৰু ৰাজহ সংক্ৰান্তীয় গোচৰসমূহ বিনামূলীয়াকৈ নিষ্পত্তিৰ দিহা কৰা হৈছে। ইয়াৰ উপৰি বেংকৰ লেনদেন, ঋণ সম্বন্ধীয় গোচৰ, টেলিফোন বিল, বিদ্যুৎ মাচুলকে ধৰি বিভিন্ন বিবাদ নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। হোজাই জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিবে আজি এখন সংবাদমেলযোগে এই বিষয়ে প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ অধীনৰ মাহজাতীয় শস্য উন্নয়ন সঞ্চালকালয়ৰ সঞ্চালক ড০ মহেশ কুমাৰে আজি মৰিগাঁও জিলাৰ কৃষি খণ্ড পৰিদৰ্শন কৰে। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ৰূপায়িত বিভিন্ন আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। সঞ্চালকগৰাকীয়ে জাগীৰোড কৃষি চক্ৰৰ অধীনৰ এটা কৃষক উৎপাদক কোম্পানীৰ কাৰ্যালয়লৈ গৈ কৃষকসকলে লাভ কৰা বিভিন্ন সা-সুবিধা সন্দৰ্ভত মত-বিনিময় কৰে। ইয়াৰ পাছতে তেওঁ মিকিৰভেটা কৃষি চক্ৰৰ এগৰাকী প্ৰগতিশীল কৃষকৰ প্ৰদৰ্শনীমূলক মাটি মাহৰ খেতি পৰিদৰ্শন কৰি কৃষকগৰাকীৰ সৈতে মত বিনিময় কৰে। এই পৰিদৰ্শনৰ সময়ত সঞ্চালকগৰাকীৰ সতৈ ৰাষ্ট্ৰীয় খাদ্য আৰু পুষ্টি মিছনৰ ৰাজ্যিক পৰামৰ্শদাতা ড০ অৰুণিমা দেৱচৌধুৰী উপস্থিত থাকে।

০০০০০

ধেমাজি জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতে আজি ২০২২ চনৰ ৭ আগষ্টত সংঘটিত এটা হত্যাকাণ্ডৰ গোচৰৰ ৰায়দান কৰি অভিযুক্তক যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে। জিলা আৰু ছেছন ন্যায়াধীশ কল্যাণজিৎ শইকিয়াৰ আদালতে আজি গোচৰটোৰ চূড়ান্ত ৰায়দান কৰি অভিযুক্ত চিত্ৰ পাংগিঙক এই শাস্তি বিহে। অভিযোগ অনুসৰি এই অপৰাধীজনে ভক্ত বাহাদুৰ ছেত্ৰী নামৰ এজন লোকক নৃশংসভাৱে প্ৰহাৰ কৰি হত্যা কৰিছিল। ইয়াৰ পাছত নিহত লোকজনৰ পত্নীয়ে চিলাপথাৰ থানাত দাখিল কৰা এজাহাৰ মৰ্মে লোকজনৰ  বিৰুদ্ধে গোচৰ ৰুজু হয়। গোচৰৰ তদন্তকাৰী বিষয়া নবীন গগৈয়ে আদালতত দাখিল কৰা অভিযোগনামাৰ ভিত্তিত আজি আদালতে এই ৰায়দান কৰে।

০০০০০

কাছাৰ আৰক্ষীয়ে দীৰ্ঘদিন ধৰি ভুৱা চিকিৎসা সেৱা আগবঢ়োৱা দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। জিলাখনত এতিয়ালৈকে মুঠ ৮ জন ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰা হৈছে। আজি গ্ৰেপ্তাৰ কৰা প্ৰথমজন অভিযুক্ত নিহাৰ হুছেইন মাজাৰ ভূঞা নামৰ লোকজনে বৰখলা বজাৰ অঞ্চলত ৰোগীক চিকিৎসা প্ৰদান কৰি আহিছিল। দ্বিতীয়জন অভিযুক্ত ৰাধেশ্যাম ৰবিদাসে জিৰিঘাট বাগান আৰু বজাৰ অঞ্চলত এম বি বি এছ পৰিচয়েৰে দীৰ্ঘদিন ধৰি চিকিৎসা প্ৰদান কৰি আহিছিল। দুয়োজন ভুৱা চিকিৎসকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে আৰু সম্প্ৰতি তদন্ত অব্যাহত আছে।

০০০০০

কনকলতা বৰুৱা মহিলাৰ টি-২০ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত আজি গোৱালপাৰাৰ ডি এন সিনহা ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ বিৰ এখন খেলত গুৱাহাটীয়ে নগাঁৱক ১৩ ৰাণত পৰাস্ত কৰে। খেলখনত গুৱাহাটীয়ে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ৮১ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নগাঁৱে ১৮ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱা ৬৮ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

০০০০০

বজালী জিলাৰ নিত্যানন্দৰ বিশিষ্ট সমাজকৰ্মী, কবি ফুলেন পাঠকৰ যোৱা নিশা হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮২ বছৰ। প্ৰয়াত পাঠকে বকুল, বজালীৰ ৰূপৰস আৰু পলাশৰ পাতত ৰং শীৰ্ষক তিনিখন কবিতাপুথি ৰচনা কৰিছিল। তেওঁৰ বিয়োগত বজালী অঞ্চলৰ বিভিন্ন দল-সংগঠন আৰু ব্যক্তিবিশেষে গভীৰ শোক প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত